লেচাৰি-ছন্দই অবিকল ৰূপেৰে আধুনিক কবিতাক ৰূপ দিয়া দেখা নাযায়। অলপ পৰিৱৰ্ত্তিত ৰূপত, অৰ্থাৎ প্ৰথম, দ্বিতীয় চতুৰ্থ আৰু পঞ্চম চৰণে দহটা অক্ষৰৰ পৰিৱৰ্ত্তে আঠটাকৈ অক্ষৰ লৈ কোনো কোনো কবিৰ লেখনীৰ যোগেদি ই ৰূপায়িত হৈছে। যেনে—

প্ৰেমিক সন্ন্যাসী তই আজিও পাহৰা নাই
তোৰ সেই তাহানিৰ সোণৰ সপোন।
আজিও বীণত তোৰ নিতউ নতুন সুৰ
আজিও বিচাৰি যায় কোনোৱা আপোন॥
( শৈলধৰ ৰাজখোৱা )

ঝুনা ছন্দৰো অবিকল-প্ৰয়োগ আধুনিক কবিতাৰ মাজত পোৱা নাযায়। অলপ পৰিৱৰ্ত্তিত কৰি কোনো কোনো কবিয়ে ইয়াৰ মাজেদি কৱিতা ৰচনা কৰিছে। এই পৰিৱৰ্ত্তিত ৰূপত প্ৰথম আৰু তৃতীয় চৰণত এঘাৰটাৰ পৰিৱৰ্ত্তে বাৰটা অক্ষৰ পোৱা যায় আৰু প্ৰতি দুই চৰণৰ শেষাক্ষৰৰ মিল হোৱাৰ পৰিৱৰ্ত্তে দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ শেষাক্ষৰতহে মিল দেখা যায়। যেনে—

(i) সোণালী ৰথত আলোকি বিমান
মাৰিলে সুৰুযে সোণৰ কাড়।
পলাল আন্ধাৰ হৰিণীয়ে যেনে
হয় নিমিষতে চকুৰ আঁৰ॥ ( যতীন্দ্ৰ দুৱৰা )

(ii) উঠাহে উৰ্ব্বশী, উঠাহে প্ৰেয়সী,
উঠা যৌৱনৰ সাদৰী সখা॥
কামত আতুৰ প্ৰেমিক সন্ন্যাসী,
এদিন সন্ধিয়া দিলেহি দেখা॥ ( ডিম্বেশ্বৰ নেওগ )

ঝুনা ছন্দৰ প্ৰতি চৰণৰ এঘাৰ অক্ষৰৰ পৰিৱৰ্ত্তে তাত দহ অক্ষৰ দি আৰু প্ৰতি দুই চৰণৰ শেষাক্ষৰৰ মিলৰ পৰিৱৰ্ত্তে, দ্বিতীয় আৰু চতুৰ্থ চৰণৰ শেষাক্ষৰৰ মিল দেখুৱাই আধুনিক কবিয়ে আন এবিধ ছন্দৰ সৃষ্টি কৰিছে। যতীন্দ্ৰনাথ দুৱৰাই এই ছন্দত কেই-

ধৰণৰ কবিতা ৰচনা কৰিছে । ইয়াৰ দৃষ্টান্ত :

সপোনৰ প্ৰথম পুৱাত
পাৰ পাই উঠিলো দেখিয়া
দেখিছিলো তোমাৰ ছবিটি
জীৱনত প্ৰেমৰ অমিয়া । ( তোমালৈ )

আধুনিক কবিৰ লেখনীত বাযুবি-ছন্দয়ো অলপ বিকৃত ৰূপ লৈ ৰূপায়িত হোৱা যেন লাগে । আধুনিক ৰূপত এই ছন্দৰ আঠ অক্ষৰযুক্ত চাৰিটা চৰণ । ইয়াৰ দ্বিতীয় আৰু চতুৰ্থ চৰণৰহে শেষাক্ষৰৰ মিল থাকে । যেনে—

কৰিম কৰিব কথা
উচিত বিধান মতে,
কৰিম যিমান পাৰো
শক্তিয়ে যিমানে আঁটে । ( দুৰ্গেশ্বৰ শৰ্মা )

আৱাহন যুগৰ শেষলৈকে প্ৰায়বোৰ অসমীয়া কবিয়ে, অবিকলভাৱেই হওক বা কিছু পৰিৱৰ্ত্তিতভাৱেই হওক, পুৰণি ছন্দবোৰক লৈয়েই কবিতা ৰচনা কৰিছে । সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাবো পৰিৱৰ্তন হয় আৰু এই পৰিৱৰ্ত্তিত চিন্তাধাৰায়ো নতুন নতুন ৰূপত স্বাভাৱিকতে প্ৰকাশ লাভ কৰে । এনেকুৱা কাৰণতেই হয়তো পুৰণি ছন্দোৰীতিৰ বন্ধনৰ পৰা কবিসকল স্বাভাৱিকতেই ক্ৰমে বাহিৰ হৈ আহে । তাৰ ফলত, পুৰণি ছন্দৰ লগত মিল থকা বা মিল নথকা কিছুমান নতুন নতুন ছন্দবো সৃষ্টি হৈছে । ৰঘুনাথ চৌধাৰীৰ "দহিকতৰা," ডিম্বেশ্বৰ নেওগৰ "শেষ-প্ৰয়াস" শৈলধৰ ৰাজখোৱাৰ "পাষাণ-প্ৰতিমা" যতীন্দ্ৰ দুৱৰাৰ, "অতীতক নাযাবা পাহৰি" আদি কবিতাক ৰূপ দিয়া ছন্দৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি । আমাৰ আধুনিক কাব্য-সাহিত্যত এনেধৰণে ছন্দই নতুন ৰূপ লৈছে । এই নতুন ছন্দবোৰৰ নামকৰণ হবলৈ বাকী আছে ।

যুগৰ লগত ছন্দৰ পৰিৱৰ্তন

দ্বিতীয় মহাযুদ্ধৰ ফলস্বৰূপে ১৯৪০ চনৰ পাছৰ পৰা সকলো দিশতে পৃথিৱীজুৰি স্বাভাৱিকতে এটা বিৰাট পৰিৱৰ্তন আহে। অসমীয়া সাহিত্যৰ দিশত, তথা কবিতাৰ দিশতো এই পৰিৱৰ্তন স্পষ্ট হৈ উঠে। ফলস্বৰূপে, কবিতাত কিছু পৰিমাণে বিষয়বস্তুৰ পৰিৱৰ্তন হয়, চিন্তাধাৰাই দিশ সলায় আৰু সেইবোৰক ৰূপ দিয়া ছন্দোৰীতিৰ সুষমাৰ পৰিৱৰ্তে সেই সুষম-ছন্দৰ ঠাইত দিলে প্ৰতীকধৰ্মী আৰু ভাৱঘন গদ্যময় ৰূপ। ভাৱঘন-গদ্যময়ৰ। স্বাভাৱিকতে আকৰ্ষণীয় ছন্দোৰীতিৰ অভাৱ হোৱাত আৰু লগতে পৰিৱৰ্তিত চিন্তাধাৰাই কবিতাৰ বিষয়ীভূত কল্পিত বস্তুকো বহু পৰিমাণে পৃথক কৰি অনাত আজিৰ কবিতায় এক শ্ৰেণী পাঠকক আকৰ্ষণ কৰিব নোৱাৰা হৈছে। উল্লেখযোগ্য কথা এই যে, ১৯৪০ চনৰ কিছুকাল আগৰে পৰা দুই এজন কবিৰ ছান্দস প্ৰতিভাই পুৰণিকলীয়া ছন্দোৰীতিৰ সীমাৰেখা অতিক্ৰম কৰি স্বচ্ছন্দ-গতিৰ পহ লৈছিল।

গদ্যময়ৰূপ আৰু মুক্তকছন্দ, এই দুই ৰূপৰ মাজেদি আধুনিক কবিতাই প্ৰধানভাৱে প্ৰকাশ লাভ কৰিছে। গদ্যময়ৰূপ কেনেকৈ কবিতাৰ শাৰীত উঠিব পাৰে, ই অৱশ্যে এক শ্ৰেণী লোকৰ সংস্কাৰৰ বিপৰীত যায় আৰু সেইলোকে ইয়াক গ্ৰহণ কৰিবলৈও টান পায়। কিন্তু কবিতাৰ সংজ্ঞাৰ্থ বা পৰিসৰ কিছু বহলভাৱে লোৱা সকলে ভাবিব পাৰে— লিখকৰ ভাৱানুভূতিক ৰূপ দিয়া যি ৰচনাবিশেষ পাঠকৰ অন্তঃস্পৰ্শী হয় আৰু সেইটো আনন্দ দিয়ে, সেই ৰচনা গতানুগতিক ছন্দোবদ্ধ নহৈ গদ্যময় হলেও সি কাব্যিক আনন্দ নিদিয়াকৈ নাথাকে। এই গদ্য অৱশ্যে সাধাৰণ গদ্যতকৈ পৃথক, ই ভাৱানুভূতিৰে আলোড়িত আৰু স্পন্দিত।

মুক্তকছন্দ, এই নামটোৱেই সূচনা কৰে যে, ই গতানুগতিক ছন্দোবন্ধনৰ পৰা মুক্ত। অমিত্ৰাক্ষৰ বা অমিত্ৰাক্ষৰ ছন্দতেই মুক্ত ছন্দৰ মূল বিচাৰিব পাৰি। কিয়নো, অমিত্ৰাক্ষৰ ছন্দৰ মূল বৈশি

যি ভাৱৰ প্ৰৱহমানতা মুক্তক-ছন্দৰ শক্তিকে সেই প্ৰৱহমানতাই প্ৰকাশ। এই প্ৰৱহমানতাৰ মাজতো অমিত্ৰাক্ষৰ ছন্দৰ নিচিনা মুক্তক-ছন্দতো, ভাব শেষ হোৱাৰ কাৰণে বা বিকৃত নোহোৱাৰ কাৰণে যথাযোগ্য যতিস্থাপনৰ ব্যৱস্থা আছে।[১]

মুক্তছন্দ আৰু অমিত্ৰাক্ষৰ ছন্দ

অমিত্ৰাক্ষৰ ছন্দৰ প্ৰতি শাৰীত চৈধ্যটাকৈ অক্ষৰ (syllable) থাকে, কিন্তু এই ছন্দৰ শাৰীত অক্ষৰৰ হিচাপ নাই, সাধাৰণতে একোটা ভাব বুজোৱা বাক্য বা বাক্যাংশই একোটা শাৰী। অন্ত্যানুপ্ৰাস বা অন্ত্যমিল অমিত্ৰাক্ষৰ ছন্দত নাথাকে। এই ধৰণৰ মিল থকা বা নথকাৰ ওপৰত কিন্তু মুক্তক ছন্দ নিৰ্ভৰ নকৰে, এই মিল থাকিলেও মুক্তক-ছন্দ হব পাৰে। আমাৰ সাহিত্যত মুক্তক-ছন্দ প্ৰশস্ত কৰি তোলাৰ ক্ষেত্ৰত বঘুকান্ত বৰকাকতি, দেৱকান্ত বৰুৱা আদিৰ নাম উল্লেখযোগ্য। বৰকাকতিয়ে অন্ত্যমিল থকা মুক্তক ছন্দতো কবিতা ৰচিছে।

**অমিত্ৰাক্ষৰ ছন্দ**—মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ, আধুনিক ছন্দৰ এই দুটা ভাগ বুলি প্ৰথমতে কোৱা হৈছে। পদ বা পয়াৰ নামৰ ছন্দৰ আধাৰতেই অমিত্ৰাক্ষৰ বা অমিত্ৰাক্ষৰ ছন্দৰ সৃষ্টি হৈছে। পদ-ছন্দৰ একোটা স্তৱক দুই শাৰীত শেষ হয়। ইয়াৰ প্ৰতি শাৰীত চৈধ্যটাকৈ অক্ষৰ থাকে। প্ৰতি শাৰীৰ আঠ আৰু ছয় অক্ষৰৰ পাচত যথাক্ৰমে বিৰাম। অমিত্ৰাক্ষৰ ছন্দতো প্ৰতি শাৰীত চৈধ্যটাকৈ অক্ষৰ থাকে; কিন্তু পদ-ছন্দৰ দৰে প্ৰতি শাৰীত উক্ত ধৰণে বিৰাম নাই আৰু শাৰীৰ শেষাক্ষৰৰ মিলো নাই। তাৰে

---

১ কবিতাৰ ছন্দত কিছুমান ব্যৱস্থাৰ চকু দিয়া নহয়। ফলত, সাধাৰণ পাঠকৰ আবৃত্তিৰ ক্ষেত্ৰত বিভ্ৰাট ঘটাইকে নাথাকে। যেনে—

যেতিয়া শিশু বহু মুখাপান

অথবা গমন কৰে (শঙ্কৰদেৱ)

ইয়াৰ আবৃত্তিত পিছত "শিশু"ৰ পাছত বিৰাম দিয়া হৈছে শিশু শব্দটোৱে অৰ্থবিভ্ৰাট কৰে।

প্ৰৱহমানতা অমিত্ৰাক্ষৰ ছন্দৰ এটা প্ৰধান বৈশিষ্ট্য। গতিকে, ভাৱানুসৰি অৰ্থবোধ সুস্পষ্ট কৰি তোলাৰ উদ্দেশ্যে যি কোনো ঠাইতে যতি বা পূৰ্ণ-বিৰাম হয়। পংক্তিৰ শেষত কোনো বিৰাম নহবও পাৰে। সৰ্বাচলতে কবলৈ গলে এইধৰণৰ অমিত্ৰাক্ষৰ ছন্দৰ যোগেদি কবিতাই গতানুগতিক ছন্দোবন্ধনৰ পৰা মুক্তিলাভ কৰে, আৰু, ইয়াকেই সুবিধা হিচাপে লৈ মুক্তক ছন্দই বিকাশৰ পথত আগ বাঢ়ে। আমাৰ সাহিত্যত, এই ধৰণৰ অমিত্ৰাক্ষৰ ছন্দৰ প্ৰথম সৃষ্টি-কৰ্ত্তা ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰী। তাৰ পাছত হিতেশ্বৰ বৰবৰুৱাই এই ছন্দত কেইবাখনো কাব্য ৰচনা কৰি কাব্য-জগতত ইয়াক সুপ্ৰতিষ্ঠিত কৰে। "আৱাহন"-যুগৰ কবি নন্দীনাথ শৰ্মাৰ "অসম-সন্ধ্যা" উক্ত ছন্দত ৰচিত এখন প্ৰসিদ্ধ কাব্য। এইবিধ অমিত্ৰাক্ষৰ ছন্দৰ নমুনা :

(ক) প্ৰভাতিলা নিশা। ঊষা আশুগতি ধৰি
আসিলা, কুকলি দিলা সুদীৰ্ঘে পেচক ;
বায়স কৰিলা কা-কা ; যেন হেনছাই
লঙ্কা, লঙ্কা-প্ৰিয়-পক্ষী কুক্কুট পুছিল।
লঙ্কাপুৰ ক'ত বুলি : গাইলা চৌদিশে
প্ৰভাতীয় গীত যত প্ৰভাতী বিহঙ্গ ;
বৃকধূৰ্ত্ত দল দিলা হুৱা-ধ্বনি দূৰে। (ভোলানাথ দাস)

(খ) আশা হে দুৰাশা, তুমি নিত্য সহচৰী
হিতেশ্বৰ, দিয়া বল তযু হৃদয়ত ;
ভগা বীণা; পুনু আজি বাজোক উলাহে
(যদিওবা ভগ্নসুৰ) কাবোবা যদিও
নজনমে তৃপ্তি শুনি ই ঝঙ্কাৰধ্বনি। (হিতেশ্বৰ বৰবৰুৱা)

উল্লেখযোগ্য কথা—বিখ্যাত বঙালী কবি মাইকেল মধুসূদন দত্তই সৃষ্টি কৰা এই শ্ৰেণীৰ অমিত্ৰাক্ষৰ ছন্দৰ আদৰ্শ আমাৰ উক্ত কবিসকলৰ আগত আছিল।

অমিত্ৰাক্ষৰ-ছন্দৰ আৰু এটা শ্ৰেণীয়ে আধুনিক সাহিত্যত প্ৰতিষ্ঠা লাভ কৰিছে। প্ৰথমতে এই বিধ ছন্দৰ সৃষ্টি কৰিছিল বিখ্যাত বঙালী নাট্যকাৰ গিৰিশচন্দ্ৰ ঘোষে। মধুসূদন দত্তৰ চৈধ্য অক্ষৰীয় অমিত্ৰাক্ষৰ ছন্দৰ পৰিৱৰ্ত্তে তেওঁ অভিনেতাৰ সুবিধাৰ কাৰণে নাটকত এইবিধ ছন্দৰ প্ৰয়োগ কৰে।

অমিত্ৰাক্ষৰ ছন্দ দুবিধ — এইবিধ ছন্দৰ একোটা পংক্তি চৈধ্য অক্ষৰৰ কাৰণে নিৰ্দ্দিষ্ট নহয়, একোটা ভাৱপ্ৰকাশক শব্দ কেইটাৰ কাৰণেহে একোটা পংক্তি নিৰ্দ্দিষ্ট। ভাৱৰ প্ৰৱহমানতা এই বিধ ছন্দৰো অন্যতম লক্ষণ। ইয়ো এক প্ৰকাৰ মুক্তক ছন্দই। গিৰিশচন্দ্ৰৰ নামানুসৰি বঙালী সাহিত্যত ইয়াক "গৈৰিশ-ছন্দ" বোলে। আমাৰ সাহিত্যত চন্দ্ৰধৰ বৰুৱাই "কামৰূপ-জীয়ৰী" আৰু "বিদ্যুৎবিকাশ" কাব্য আৰু "মেঘনাদ-বধ" আৰু "তিলোত্তমা-সম্ভৱ" নাটক এই ছন্দত ৰচনা কৰিছে। অতুলচন্দ্ৰ হাজৰিকা দেৱেও "নৰকাসুৰ", "শকুন্তলা" আদি নাটকত এই বিধ ছন্দৰ প্ৰয়োগ কৰিছে। এই বিধ ছন্দৰ নমুনা :

ৰাৱণ—নকৰা বিলাপ ৰাণী,
নাই ফল বিলাপত—
নাহে আৰু মেঘনাদ উভতি দুনাই।
ৰাৱণৰ জীৱনৰ
প্ৰতিহিংসা মাথোঁ আজি উদ্দেশ্য কেৱল।
(চন্দ্ৰধৰ বৰুৱা)

গতিকে অমিত্ৰাক্ষৰ-ছন্দৰ শ্ৰেণী দুটা।